## 4. Workshop on Bhupendra Sangeet

**Date : 4th -5th December , 2021.**

**Total No. of Participant Present- 30**

**Resouce Person :**

**Mr. Gautam Sarma( Senior Journalist , Lyricist and musician)**

**Mr. Mrinal Kanti Medhi**

**(Music Director, Lyricist and Singer)**

PHOTOGRAPHS OF WORKSHOP ON BHUPENDRA SANGEET









### বকোত সুধাকণ্ঠৰ গীতৰ কৰ্মশালা সম্পন্ন

■ গীতিকাৰ-সুৰকাৰ গৌতম শৰ্মা সংগীত পৰিচালক মৃণালকান্তি মেধি প্ৰশিক্ষক

'আমাৰ অসম'ৰ বকোৰ প্ৰতিবেদক, ৭ ডিচেম্বৰ ঃ বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ড° ভূপেন হাজৰিকা সাংস্কৃতিক আৰু সৃষ্টিশীল অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত আৰু মহাবিদ্যালয়খনৰ সাংস্কৃতিক গোট তথা আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ সহযোগত ৫ ডিচেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ভূপেন্দ্ৰ সংগীতৰ কৰ্মশালাৰ সোমবাৰে সফল সামৰণি পৰে। তদুপলক্ষে মহাবিদ্যালয় প্ৰেক্ষাগৃহত প্ৰথমদিনা মহাবিদ্যালয়ৰ সাংস্কৃতিক কোষৰ আহ্বায়ক অধ্যাপিকা মঞ্জিৰা শৰ্মাই আঁত ধৰা অনুষ্ঠানত ভূপেন্দ্ৰ সংগীতৰ এই কৰ্মশালাৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন দত্তই। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি প্ৰদান কৰি মহান শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। ইয়াৰ পাছতে যুৱশিল্পী ডেভিড তামুলী আৰু অধ্যাপিকা মঞ্জিৰা শৰ্মাই পৰিবেশন কৰা ভূপেন্দ্ৰ সংগীতেৰে মুকলি কৰা কৰ্মশালাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সমন্বয়ক ড° হিমাৰজ্যোতি তালুকদাৰে। উল্লেখ্য, ভূপেন্দ্ৰ সংগীতৰ এই কৰ্মশালাত সম্পদ ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা 'আমাৰ অসম'ৰ ডেপুটী এডিটৰ তথা বিশিষ্ট গীতিকাৰ-সুৰকাৰ গৌতম শৰ্মাক মহাবিদ্যালয়খনৰ পৰা বিপুল আদৰণি জনোৱা হয়। ইফালে, উদ্বোধনী অনুষ্ঠানৰ অন্তত বিশিষ্ট গীতিকাৰ আৰু সুৰকাৰ গৌতম শৰ্মাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক ভূপেন্দ্ৰ সংগীতৰ প্ৰশিক্ষণ আগবঢ়োৱাৰ লগতে সংগীতৰ শিক্ষা প্ৰদান কৰে জনপ্ৰিয় সংগীত পৰিচালক মৃণালকান্তি মেধিয়ে।